# কৃষ্ণমিশ্ৰৰ *প্ৰবোধচন্দ্ৰোদয়*ত চাৰ্বাক দৰ্শনৰ চিত্ৰণ ঃ এটি বিশ্লেষণ

# DEPICTION OF CĀRVĀKA PHILOSOPHY IN KṚSNAMIŚRA'S *PRABODHACANDRODAYA* – AN ANALYSIS

**Dr. Kalpita Bujarbarua**

**Abstract**

Kṛṣṇamiśra's *Prabodhacandrodaya* is an allegorical play explaining the process of self-realization. Prabodhacandrodaya means "the rise of the moon of (spiritual) awakening". In the drama it is described that Puruṣa, the embodied self had forgotten his identity with the Supreme Being i.e. Parameśvara and had fallen as it were into a deep slumber, is awakened by Vidyā i.e. Knowledge to realize his identity.

In the drama, Cārvāka is one of the characters which plays a vital role. Through this character, Kṛṣṇamiśra tries to describe the negative effect of materialism because Cārvāka system is a materialistic one. It is called the prime enemy of all the religious and philosophical schools based on the vedas. In this paper a humble attempt has been made to analyse how Kṛṣṇamiśra establishes his perspectives in support of the philosophy of Āstika schools which aims at attainment of eternal happiness i.e. Mokṣa by renouncing materialistic approach through the depiction of the characters in the paly.

কৃষ্ণমিশ্ৰ ৰচিত 'প্ৰবোধচন্দ্ৰোদয়' এখন গভীৰ দাৰ্শনিক ভাবব্যঞ্জক প্ৰতীকধৰ্মী কালজয়ী নাটক (allegorical play)। নাট্যকাৰৰ নাট্যচিন্তাও কালোত্তীৰ্ণ। নাটকৰ প্ৰস্তাৱনা অংশৰ পৰা জনা যায় যে মিত্ৰৰজা কীৰ্তিবৰ্মাৰ হাতত চেদিৰজা কৰ্ণ পৰাজিত হোৱাৰ সময়তে বিজয়োল্লাস প্ৰকাশ কৰাৰ বাবে নিজৰ পৃষ্ঠপোষক ৰজা

গোপালৰ নিৰ্দেশতে কৃষ্ণমিশ্ৰই খ্ৰীষ্টিয় একাদশ শতিকাৰ শেষাৰ্দ্ধৰ এই 'প্ৰবোধচন্দ্ৰোদয়' নামৰ নাটকখনৰ ৰচনা কৰে। নাটকখনত সৰ্বমুঠ ছয়টা অঙ্ক আছে। প্ৰত্যেকটো অঙ্কতে বিভিন্ন দাৰ্শনিক তত্ত্বৰ বিশ্লেষণ হৈছে। মানুহৰ অন্তৰত অহৰ্নিশে যি ভাল-বেয়াৰ দ্বন্দ চলি থাকে, তাকে নাট্যকাৰে যেন এই নাটকৰ মাজেৰে প্ৰকাশ কৰিছে।

'প্ৰবোধচন্দ্ৰোদয়' --এই সমাসবদ্ধ পদটোৰ দুইধৰণে ব্যাসবাক্য কৰিব পাৰি। এটা হৈছে-- প্ৰবোধ এৱ চন্দ্ৰ: প্ৰবোধচন্দ্ৰ:, তস্য উদয়:। আনটো হৈছে-- চন্দ্ৰস্য উদয়: চন্দ্ৰোদয়:, প্ৰবোধ এৱ চন্দ্ৰোদয়:। ভাৱ হয় নাট্যকাৰ কৃষ্ণমিশ্ৰই যেন দ্বিতীয় বিশ্লেষণটোহে গ্ৰহণ কৰিছিল। এই নাটকৰ মাজেৰে নাট্যকাৰে অদ্বৈত বেদান্ত আৰু বিষ্ণুভক্তিৰ সন্মিলন বৰ সুন্দৰভাবে তুলি ধৰিছে। চৰিত্ৰসমূহ প্ৰতীকাত্মক। মানুহৰ চিত্তবৃত্তিসমূহক পাত্ৰ-পাত্ৰীৰূপে কল্পনা কৰি চিত্ৰিত কৰা হৈছে। দুটা বংশৰ মাজত হোৱা পাৰস্পৰিক দ্বন্দ্বই হৈছে নাটকখনৰ মূল বিষয়বস্তু। নাটকৰ প্ৰধান চৰিত্ৰ হৈছে পুৰুষ। তেওঁক কেন্দ্ৰ কৰিয়েই নাটকীয় ঘটনাৰ চক্ৰ ঘূৰিছে। পুৰুষৰ পত্নী হৈছে মায়া। তেওঁলোকৰ একমাত্ৰ পুত্ৰ হৈছে মন। মনৰ পত্নী দুগৰাকীৰ নাম হৈছে প্ৰবৃত্তি আৰু নিবৃত্তি। প্ৰবৃত্তিৰ সন্তান মোহ আৰু নিবৃত্তিৰ সন্তান বিবেক। এই মোহ আৰু বিবেক প্ৰতিদ্বন্দ্বী ৰজা। দুয়োজনেই নিজৰ নিজৰ উন্নতিৰ বাবে সদা সচেষ্ট। ৰজা মোহৰ পক্ষত আছে কাম, ক্ৰোধ, লোভ, হিংসা, মিথ্যা আৰু ৰতি। এওঁলোকৰ বিচাৰবুদ্ধি চাৰ্বাক, কাপালিক আৰু লোমলিদ্ধান্তৰ দ্বাৰা প্ৰভাৱিত। আনহাতেদি ৰজা বিবেকৰ পক্ষত আছে- শান্তি, মৈত্ৰী, কৰুণা, ধৰ্ম, মতি, ক্ষমা, ভক্তি, সন্তোষ আৰু বস্তুবিচাৰ। এওঁলোকৰ বিচাৰবুদ্ধি প্ৰভাৱিত হৈছে উপনিষদতত্ত্বৰ দ্বাৰা। নাটকীয় ঘটনা অনুসৰি দেখা যায় যে মহামোহৰ পক্ষৰ প্ৰচেষ্টা হৈছে পুৰুষক বন্দী কৰি মনৰ প্ৰাধান্যত প্ৰবৃত্তিৰ সহযোগত জগতত আধিপত্য বিস্তাৰ কৰা। ইয়াৰ বিপৰীত প্ৰচেষ্টা বিবেক পক্ষীয়সকলৰ। উভয়পক্ষৰ সংগ্ৰামৰ কেন্দ্ৰস্থল হৈছে মুক্তিক্ষেত্ৰ বাৰাণসী। নাটকৰ শেষত কিন্তু বিবেক আৰু উপনিষদ দেৱীৰ সান্নিধ্যত পুৰুষে নিজৰ শুদ্ধ-মুক্ত-বুদ্ধ স্বভাৱ অনুভৱ কৰিব পাৰিলে। জন্ম হ'ল প্ৰবোধচন্দ্ৰোদয়ৰ অৰ্থাৎ আধ্যাত্মিক উপলব্ধিৰূপ চন্দ্ৰৰ উদয় হয়। পুৰুষেও বিষ্ণুৰ সৈতে তেওঁৰ একাত্মতা উপলব্ধি কৰিবলৈ সক্ষম হয়। পৰম প্ৰাপ্তিৰ আনন্দ তেওঁৰ স্বৰতেই প্ৰকাশিত হয় এনেদৰে--

প্ৰতীকাত্মক এই নাটকখনৰ প্ৰধান ৰস হৈছে 'শান্ত'। নাট্যকাৰ কৃষ্ণমিশ্ৰৰ দাৰ্শনিক প্ৰজ্ঞা আৰু কবিত্ব দুয়োটাৰে সমন্বয় নাটকত লক্ষ্য কৰা যায়। দৰ্শনশাস্ত্ৰত অগাধ পাণ্ডিত্যৰ অধিকাৰী আছিল কৃষ্ণমিশ্ৰ। আস্তিক আৰু নাস্তিক --এই উভয়

সম্প্ৰদায়ৰ সূক্ষ্ম বিশ্লেষণ প্ৰবোধচন্দ্ৰোদয় নাটকত পৰিলক্ষিত হয়। তেওঁ যিদৰে বেদান্ত, সাংখ্য, ন্যায়, যোগ, মীমাংসা, বৈশেষিক দৰ্শনৰ বিশ্লেষণ কৰিছে ঠিক তেনেদৰে বৌদ্ধ, জৈন আৰু চাৰ্বাক দৰ্শনৰ মতবাদসমূহো নাটকত উপস্থাপন কৰিছে। লগতে কাপালিকসকলৰ মতবাদৰ উল্লেখো পোৱ যায়। তদুপৰি এই নাটকখনত শাক্ত, বৈষ্ণৱ, পাশুপাত ইত্যাদি ধৰ্মসম্প্ৰদায়ৰ বৰ্ণনাও পোৱা যায়। এই প্ৰবোধচন্দ্ৰোদয় . নামৰ ৰূপকধৰ্মী নাটকখনত বৰ্ণিত বিভিন্ন দৰ্শনৰ শাখাসমূহৰ ভিতৰত চাৰ্বাক দৰ্শনৰ মতবাদ কেনেদৰে প্ৰতিফলিত হৈছে, সেই বিষয়ে আলোচনা কৰিবলৈ ওলাইছো--

চাৰ্বাক সম্প্ৰদায় ভাৰতীয় তিনিটা নাস্তিক দৰ্শনৰ অন্যতম। চাৰ্বাক মত অতি প্ৰাচীন। তেওঁলোকৰ নিজস্ব কোনো ৰচনা পোৱা নাযায়। অন্যান্য বিভিন্ন দাৰ্শনিক সম্প্ৰদায়ৰ ৰচনাৰ পৰা এই সম্প্ৰদায়ৰ মতবাদসমূহ জানিব পাৰি। বেদ, ৰামায়ণ, মহাভাৰত, প্ৰাচীন বৌদ্ধ সাহিত্যৰ মাজে মাজে চাৰ্বাক মত পোৱা যায়। 'চাৰ্বাব' শব্দটোৱে 'জড়বাদ' বুজায়। যি মতবাদে জড়বস্তুকে পৰম সত্বা বুলি স্বীকাৰ কৰে 'জড়বাদ' বা 'বস্তুবাদ' বোলা হয়।[১] এই মতবাদ অনুসৰি জড়ৰ পৰাই মন আৰু চৈতন্য উৎপাদিত হয়। এই চাৰ্বাক দৰ্শনৰ প্ৰতিষ্ঠাতাৰ বিষয়ত বিভিন্ন মতবাদ পোৱা যায়। কোনো কোনোৰ মতে 'চাৰ্বাক' এটা বিৱৰণাত্মক নাম। 'চাৰ্ব' মানে 'খোৱা' বা 'চোবোৱা'। আন কিছুমানৰ মতে চাৰ্বাক দাৰ্শনিকসকলৰ কথাবোৰ মধুৰ হোৱা কাৰণেও অৰ্থাৎ চাৰু- মধুৰ, বাক্- কথা বা শব্দ- 'চাৰ্বাক' শব্দটোৰ উৎপত্তি হ'ব পাৰে।[২] আন কিছুমান পণ্ডিতৰ মতে আকৌ ঋগ্বেদৰ ঋষি বৃহস্পতিৰ নাম চাৰ্বাক। বৃহস্পতিৰ উপদেশ সমূহেহ চাৰ্বাক দৰ্শন ৰূপে পৰিচিত। 'সৰ্বদৰ্শনসংগ্ৰহ'ৰ ৰচক মাধৱাচাৰ্য্যৰ মতে 'চাৰ্বাকমত বৃহস্পতিমতানুসৰি'।[৩]

ভাৰতীয় দৰ্শনৰ ইতিহাসত চাৰ্বাক দৰ্শন 'লোকায়ত দৰ্শন' ৰূপে পৰিচিত। এই দৰ্শনত লৌকিক চিন্তাধাৰাক বিশেষ মূল্য আৰু মৰ্যাদা দিয়া হৈছে সেইবাবেই হয়তো এই দৰ্শন জনসাধাৰণৰ ওচৰত আয়ত বা গ্ৰাহ্য বা বিস্তৃত হৈছে। সেয়েহে চাৰ্বাক দৰ্শনৰ আন এটা নাম 'লোকায়ত দৰ্শন'। মাধৱাচাৰ্য্যয়ো ইয়াক 'লোকায়ত' বুলি কৈছে।[৪]

প্ৰবোধচন্দ্ৰোদয় নাটকত একাধিকবাৰ চাৰ্বাক দৰ্শনৰ তত্ত্ব উপস্থাপিত হোৱা দেখা যায়। নাটকখনৰ মতে বাচস্পতি এই দৰ্শনৰ প্ৰতিষ্ঠাতা। এই বাচস্পতি বৃহস্পতি

নামেৰেও পৰিচিত। তেওঁ চাৰ্বাকৰ হাতত এই দৰ্শন সমৰ্পন কৰে। পিছত চাৰ্বাকে সমগ্ৰ জগতত সেয়া প্ৰচাৰ কৰে।[৫]

প্ৰবোধচন্দ্ৰোদয়ত উল্লেখ পোৱা যায় যে আমাৰ সকলো জ্ঞানৰ একমাত্ৰ উৎস হৈছে প্ৰত্যক্ষ বুলি চাৰ্বাকসকলে মত পোষণ কৰে। তেওঁলোকৰ মতে প্ৰত্যক্ষই একমাত্ৰ প্ৰমাণ। ইয়াত পৃথিৱী, পানী, অগ্নি, বায়ু এইকেকইটা তত্ত্বৰূপে স্বীকৃত হৈছে। ইয়াত পুৰুষাৰ্থ হৈছে অৰ্থ আৰু কাম। চাৰ্বাক মতানুসৰি পৃথিৱী আদি পঞ্চভুতৰ পৰস্পৰৰ সংযোগৰ ফলতেই শৰীৰত চৈতন্যৰ উৎপন্ন হয়। আমাৰ পৰলোক বুলি একো নাই। মৃত্যুৱেই হৈছে অপবৰ্গ বা মোক্ষ।[৬] এই দৰ্শনে কেৱল দেহ বা শৰীৰৰ অস্তিত্বহে স্বীকাৰ কৰে, আত্মাৰ অস্তিত্ব স্বীকাৰ নকৰে। দেহৰ অতিৰিক্ত আত্মা স্বীকাৰ নকৰে।

প্ৰবোধচন্দ্ৰোদয় নাটকত আত্মাৰ অস্তিত্ব সম্পৰ্কে উদয় হোৱা প্ৰশ্নৰ উত্তৰ পাওঁ চাৰ্বাকৰ সুহৃদ মহামোহৰ মুখেৰে এনেদৰে, “বহুতে ভাবে দেহ ভিন্ন আত্মা আছে আৰু সিয়েই পৰলোকত গৈ কৰ্মফল ভোগ কৰে। এইয়া যেন আকাশতৰুৰ কুসুমৰ পৰা মধুৰ ফল আশা কৰাৰ নিছিনা।[৭] মহামোহে পুনৰ কৈছে যে চেতনাক যিহেতু প্ৰত্যক্ষ কৰা যায় সেয়েহে চেতনা চৈতন্যশীল। কিন্তু চেতনাৰ আধাৰ স্বৰূপ আত্মাৰ কোনো স্বতন্ত্ৰ অস্তিত্ব নাই। আত্মা অতীন্দ্ৰিয়। ই কোনো সত্ত্বাৰ ধৰ্ম বা গুণ নহয়, দেহৰহে ধৰ্ম। দেহেই আত্মা। দেহক বাদ দি আত্মা বুলি একো নাই। দেহৰ লগত সম্পৰ্কযুক্ত কৰিয়েই আত্মা আৰু চৈতন্যক প্ৰত্যক্ষ কৰিব পাৰি। মৃত্যুৰ পিছত দেহ বিনষ্ট হোৱাৰ পিছত আত্মা বুলি আৰু একো অৱশিষ্ট নাথাকে।” তেওঁ আকৌ প্ৰশ্ন কৰিছে যে বস্তু অস্তিত্বহীন। তাৰ অস্তিত্ব কল্পনা কৰি মিছলীয়া বাচাল আস্তিকসকলে সত্যবাদী নাস্তিকসকলক নিন্দা কৰে। ক্ষিতি, অপ আদি পঞ্চভুতৰ সমষ্টিৰে উৎপন্ন চৈতন্যযুক্ত দেহৰ পৰা বিচ্ছিন্ন সচেতন আত্মাক কোনোবাই কেতিয়াবা দেখিছেনে?[৮]

এই নাটকখনত চাৰ্বাকসকলে যে বৰ্ণভেদ প্ৰথা স্বীকাৰ নকৰে সেই বিষয়েও উল্লেখ কৰা হৈছে। এওঁলোকৰ মতে দেহ, মুখ আদি অৱয়ব এটা হোৱা সত্বেও ব্ৰাহ্মণ, ক্ষত্ৰিয় আদি জাতিভেদ ক্ৰম কেনেকৈ সম্ভৱ? অৰ্থাৎ সকলো মানুহৰ দৈহিক অৱয়ব একেই। গতিকে তাত জাতিভেদৰ প্ৰশ্ন নাহে। এইগৰাকী স্ত্ৰী পৰৰ, এই সম্পদ পৰৰ --এনে ভেদভাৱ ৰাখি হিংসা, পৰস্ব গ্ৰহণ, পৰস্ত্ৰীগমন আদি কাৰ্য-অকাৰ্য্য বিচাৰ কেৱল কাপুৰুষসকলেহে কৰে।[৯]

পুনৰ  চাৰ্বাকে নিজৰ মতামত ব্যক্ত কৰি কৈছে যে একমাত্ৰ বিদ্যা হ'ল দণ্ডনীতি। গুৰু শুক্ৰাচায্যৰ শিষ্য ঔশনসেও দণ্ডনীতিকে একমাত্ৰ বিদ্যআ বুলি কৈছে।[১০] বাৰ্তা[১১] এই দণ্ডনীতিৰে অন্তৰ্গত। তেওঁৰ মতে ত্ৰয়ী (অৰ্থাৎ ঋগ্বেদ, সামবেদ আৰু  যজুৰ্বেদ ধূৰ্তসকলৰ প্ৰলাপৰ বাহিৰে একো নহয়। এইবোৰে মাত্ৰ স্বৰ্গলাভৰ কথা কয়। চাৰ্বাকৰ বক্তব্য যদি কৰ্তা, ক্ৰিয়া আৰু দ্ৰব্যনাশ কৰাৰ ফলস্বৰূপে যাজ্ঞিকে স্বৰ্গলাভ কৰে, তেনেহ'লে যজ্ঞৰ অগ্নিত যি কাঠবোৰ পোৰা হয় সেইবোৰতো যথেষ্ট  ফলাগম সম্ভৱ।[১২] চাৰ্বাকে নিজৰ মত ব্যক্ত কৰি পুনৰ কৈছে যে বেদৰ শিক্ষা একো নাই, কাৰণ যজ্ঞত নিহত পশুৰ স্বৰ্গলাভ  হয়, তেনেহ'লে যজমানে নিজৰ পিতৃক যজ্ঞত বলি নিদিয়ে কিয়?[১৩] তেওঁ পুনৰ কৈছে এনেদৰে-- শ্ৰাদ্ধক যদি মৃতব্যক্তিৰ তৃপ্তিৰ কাৰণ বুলি ধৰা  হয়, তেনেহ'লে এটা নিৰ্বাণপ্ৰাপ্ত চাকিত তেল দি তাৰ শিখা বৃদ্ধিও সম্ভৱ।[১৪] এইবোৰ নৰপশুসকলৰ দুৰ্বুদ্ধি প্ৰকাশ। মুৰ্খসকলেই কয় যে বিষয়াসক্তিজনিত  সুখ পুৰুষে ত্যাগ কৰা উচিত কাৰণ সেয়া দুঃখমিশ্ৰিত। চাৰ্বাকৰ মতে হিতকামী কোনজন তুঁহেৰে আচ্ছন্ন বুলি শুভ্ৰবৰ্ণ ও উত্তম চাউল সমন্বিত ধানবোৰক পৰিত্যাগ কৰে?[১৫] বৃহস্পতিয়ে কৈছে, যিসকল বুদ্ধিহীন আৰু পুৰুষত্বহীন তেওঁলোকেই অগ্নিহোত্ৰযজ্ঞ, তিৰ্নিবেদ, ত্ৰিদণ্ড বা সন্যাস আৰু ভস্মলেপন- এইবোৰক জীৱিকা নিৰ্বাহৰ পথ ৰূপে অৱলম্বন কৰে।[১৬]

প্ৰবোধচন্দ্ৰোদয় নাটকত পোৰা যায় যে চাৰ্বকে বৌদ্ধদৰ্শনৰ লগত বেদান্তকো একেটা শ্ৰেণীতে  অন্তভুক্ত কৰিছে। তেওঁৰ মতে যদি বেদান্ত প্ৰত্যক্ষাদি প্ৰমাণ চতুষ্টয়ৰ দ্বাৰা সাধিত জ্ঞানৰ বিপৰীত অৰ্থ প্ৰতিপাদিত হৈয়ো শাস্ত্ৰৰূপে গৃহীত হয়, তেনেহ'লে বৌদ্ধশাস্ত্ৰই কি দোষ কৰিলে?[১৭] গতিকে বুজা যায় যে চাৰ্বাকে বৌদ্ধদৰ্শনকো শাস্ত্ৰৰ পৰ্যায়ভুক্ত কৰিছে। এনেদৰেই দেখা যায়যে কৃষ্ণমিশ্ৰই প্ৰবোধচন্দ্ৰোদয়ত 'চাৰ্বাক' নামৰ চৰিত্ৰটোৰ মাজেৰে চাৰ্বাক দৰ্শনৰ মতসমূহকে নাটকখনত উপস্থাপন কৰিছে।

## উপসংহাৰ

প্ৰবোধচন্দ্ৰোদয় সংস্কৃত সাহিত্যৰ প্ৰথম দিগ্‌দৰ্শী ৰূপকধৰ্মী নাটক। সংস্কৃত সাহিত্যত এনে ৰূপক বা প্ৰতীকধৰ্মী নাটকৰ সংখ্যা তাকৰ। কিন্তু যিকেইখন এনে প্ৰকাৰৰ নাটক আছে তাৰ ভিতৰত প্ৰবোধচন্দ্ৰোদয়েই সম্পূৰ্ণ সফল নাটক। পৰৱৰ্তীকালত এই নাটকৰ অনুকৰণত এইশ্ৰেণীৰ বহুকেইখন নাটকৰ ৰচনা হৈছে।

তাৰ ভিতৰত কেইখনমান উল্লেখযোগ্য ৰূপকধৰ্মী সংস্কৃত নাটক যশঃপাল ৰচিত মোহৰাজপৰাজয়, ৱেঙ্কটনাথ ৱেদান্তদেশিক ৰচিত সংকল্পসূৰ্যোদয়, পৰমানন্দ সেন ৰচিত চৈতন্যচন্দ্ৰোদয়, ভূদেৱ শুক্ল ৰচিত ধৰ্মবিজয়, গোকুলনাথ উপাধ্যায় ৰচিত অমৃতোদয়, আনন্দৰায় মখি ৰচিত বিদ্যাপৰিণয় আদি।

প্ৰবোধচন্দ্ৰোদয় নাটকৰ জৰিয়তে নাট্যকাৰে দাৰ্শনিক তত্ত্বসমূহ অতি সহজ ভংগীৰে উপস্থাপনৰ প্ৰয়াস কৰিছে। মানৱ শৰীৰ বিভিন্ন গুণ আৰু বৃত্তিসমূহেও যে সজীৱ হৈ নিজ নিজ বক্তব্য প্ৰকাশ কৰিব পাৰে --এনে ধাৰণা বোধহয় কৃষ্ণমিশ্ৰৰ আগতে কোনো ৰচনাত পোৱা নাযায়। এই নাটকত ৰজা বিবেক আৰু মোহৰ পাৰম্পৰিক দ্বন্দ উপস্থাপন কৰা হৈছে। এনে দ্বন্দ যিকোনো মানৱ চৰিত্ৰৰ মাজতে চিৰপৰিচিত। সাধাৰণ মনুষ্যৰ বুদ্ধিবৃত্তি আৰু বিবেক দৈনন্দিন জীৱনৰ প্ৰতিটো মুহূৰ্ততে ছয় ৰিপুৰ দ্বাৰা আচ্ছন্ন হৈ থাকে। এইবোৰে আমাক মায়ামোহৰ আৱদ্ধ কৰি ৰাখে। ফলত জীৱনত অনেক দুখ-দুৰ্দশা ভোগ কৰিবলগীয়া হয়। এই ৰিপুসমূহৰ শ্ৰদ্ধা, ভক্তি, কৰুণা, ক্ষমা, সন্তোষ, উপনিষদ্ আদিৰ মাধ্যমেৰে কেনেকৈ দমন কৰিব পাৰি তাকে নাট্যকাৰে প্ৰবোধচন্দ্ৰোদয়ত দেখুৱাবলৈ যত্ন কৰিছে।

প্ৰবোধচন্দ্ৰোদয় নাটকখন নাটকখন এখন কালজয়ী নাটক। নাট্যকাৰৰ নাট্য চিন্তাও কালোত্তীৰ্ণ। নাটকখনৰ ৰচনাকাল খ্ৰীষ্টিয় একাদশ শতিকাৰ শেষাৰ্দ্ধ। কিন্তু আজি একবিংশ শতিকাতো নাটকখনৰ বিষয়বস্তু ৰজিতা খোৱা।

ভাৰতীয় দৰ্শন আস্তিক আৰু নাস্তিক দুটা ভাগত বিভক্ত। আস্তিক দৰ্শনৰ শ্ৰেষ্ঠত্ব প্ৰবোধচন্দ্ৰোদয়ত লক্ষ্য কৰা যায়। নাট্যকাৰে নাস্তিক দৰ্শনক ভোগবাদী আৰু সুবিধাবাদী বুলি বৰ্ণনা কৰিছে। চাৰ্বাক আৰু জৈন দৰ্শনে আগবঢ়োৱা যুক্তিবোৰ খণ্ডন কৰিছে। এই শ্ৰেণীৰ ব্যক্তিসকলে নিজৰ অভীষ্ট সিদ্ধিৰ বাবে যে অতি সহজেই ধৰ্ম পৰিৱৰ্তন কৰিব পাৰে, তাকো আমি প্ৰবোধচন্দ্ৰোদয়ত পাওঁ।

বৰ্তমান সময়ত সমাজৰ বৃহৎ সংখ্যক মানুহ দিনে দিনে বস্তুবাদী হৈ পৰিছে। দৈনন্দিন ব্যস্ততাপূণ জীৱনত মানুহৰ অন্তহীন অভাৱ। ভোগবাদে মানুহক গ্ৰাস কৰিছে। সকলো ক্ষেত্ৰতে অন্তহীন হেপাহ। মানুহৰ দুৰ্নিবাৰ লোভ, মানুহে মানুহে কটাকটি, মৰামৰি, অপৰিমিত ভোগাকাংক্ষা, অসূয়া, চৌৰ্য্যবৃত্তি, মিথ্যাবাদ বাঢ়ি গৈয়ে আছে। যেন চাৰ্বাক দৰ্শনৰ মতসমুহ মানুহে নজনাকৈয়ে অনুসৰণ কৰিবলৈ আৰম্ভ কৰিছে। কিন্তু মানুহে বুজা উচিত যে সীমাহীন আকাংক্ষাই হৈছে দুখৰ কাৰণ। গতিকে যিমানখিনি সম্ভৱ দুখক আঁতৰাই সুখ ভোগ কৰাৰ চেষ্টা কৰা উচিত। চাৰ্বাক দৰ্শনে সেইকাৰণে কয় যে, যেতিয়ালৈকে জীয়াই থাকা সুখেৰে জীয়াই থাকা, ধাৰ

কৰি হ'লেও ঘিঁ খোৱা- কথাষাৰৰ যেন আধুনিক ভোগবাদী মানুহে অনুসৰণ কৰিবলৈ লৈছে। নিজৰ আশা-আকাংক্ষা পূৰণৰ বাবে মানুহে এনেধৰণৰ পথ অনুসৰণ কৰিলেও কিন্তু পৰৱৰ্তী সময়ত ই দীৰ্ঘস্থায়ী সমস্যাৰ সৃষ্টি কৰে। ফলত মানুহ বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত হৈ পৰে। পিছত শান্তিৰ পথ বিচাৰি হাবাথুৰি খায়। শেষত মানুহে বুজে যে শান্তিৰ পথ মিথ্যা বা ব্যভিচাৰৰ নহয়। সেই পথ সত্যৰ দ্বাৰা আচ্ছাদিত। উপনিষদতো এই কথাকে কৈছে 'সত্যমেৱ জয়েৎ নাণৃতম্' (মুণ্ডকোপনিষদ)। এই কথাখিনিকে নাট্যকাৰ কৃষ্ণমিশ্ৰই তেওঁ নাটকৰ জৰিয়তে পাঠক-দৰ্শকক অৱগত কৰিবলৈ বিচৰাছে। এই নাট্যকাৰে মানুহক মনোঞ্জন দিয়াৰ লগতে সাংসাৰিক দুখ-কষ্টৰ পৰা মুক্তিলাভৰ দিগ্‌দৰ্শন ৰূপে যে ভূমিকা গ্ৰহণ কৰিছে তাক নিশ্চয়কৈ ক'ব পৰা যায়। আজি একবিংশ শতিকাতো নাটকখনৰ বিষয়বস্তু ৰজিতা খোৱা। ভোগবাদী সমাজখনৰ বিৰুদ্ধে কৃষ্ণমিশ্ৰই এই প্ৰতীকাত্মক নাটকৰ মাধ্যমেৰেই যেন প্ৰতিবাদ কৰিছে।

মুঠতে নাট্যকাৰে কৃষ্ণমিশ্ৰই যি দাৰ্শনিক ভাৰধাৰা নাটকৰ মাধ্যমেৰে পাঠক আৰু দৰ্শকসকলক দিবলৈ বিচাৰিছিল, সেই ক্ষেত্ৰত তেওঁৰ উদ্দেশ্য সাধনত সফল হৈছে বুলি ক'ব পাৰি।

## পাদটীকা ঃ

১. ভাৰতীয় দৰ্শন, ডঃ জ্যোৎস্না ভট্টাচাৰ্য্য, পৃ. ৪৭

২. চাৰু ঃ লোকসম্মতো বাকো বাক্যং য়স্য সঃ চাৰুবাক ঃ ( চাৰ্বাক ঃ ), সংস্কৃত-হিন্দী শব্দকোশ

৩. বৃহস্পতিমতানুসাৰিণা নাস্তিকশিৰোমণিনা চাৰ্বাকেন; সৰ্বদৰ্শনসংগ্ৰহ

৪. তস্য চাৰ্বাকমতস্য লোকায়তমিত্যন্বৰ্থমপৰং নামধেযম্; তদেৱ

৫. ----- তদেতদস্মদভিপ্ৰায়ানুবন্ধিনা বাচস্পতিনা প্ৰণীয় চাৰ্বাকায় সমৰ্পিতম। তেন চ শিষ্যোপশিষ্য দ্বাৰেণাস্মিংল্লোকে বহুলীকৃতং তন্ত্ৰম্; প্ৰবোধচন্দ্ৰোদয় , দ্বিতীয় অংক

৬. -----প্ৰত্যক্ষমেৱ প্ৰমাণং পৃথিব্যপতেজোবায়বস্তত্ত্বানি, অৰ্থকামৌ পুৰুষাৰ্থৌ ভূতান্যেব চেতয়ন্তে , নাস্তি পৰলোকঃ। মৃত্যুৰেৱাপবৰ্গঃ; তদেৱ

৭. আত্মাস্তি দেহব্যতিৰিক্তমূৰ্তিৰ্ভোক্তা স লোকান্তৰিতঃ ফলানাম্।
আশেয়মাকাশতৰোঃ প্ৰসূনাৎ প্ৰাৰ্থীয়সঃ স্বাদুফলপ্ৰসূতৌ।। তদেৱ, ২. ১৬

৮. যন্নাস্তেব তদস্তি বাস্ত্বিতি মৃষা জল্পদ্ভিৰেবাস্তিকৈ-
বাঁচালৈর্বহুভিস্তু সত্যবচসো নিন্দ্যাঃ কৃতা নাস্তিকাঃ।
হংহো পশ্যত তত্ত্বতো যদি পুর্নশ্ছন্নাদিতো বৰ্ষ্মণাং
দৃষ্টঃ কিং পৰিণামৰূপিতচিতেজীৰঃ পৃথকৈৰপি।। তদেৱ, ২ .১৭

৯. তুল্যত্বে বপুষাং মুখাদ্য ৱয়ববৈৰ্বৰ্ণক্ৰমঃ কীদৃশো
যোষেয়ং বসু চাপৰস্য তদমুং ভেদং ন ৱিদ্মো বয়ম্।
হিংসায়ামথবা যথেষ্টগমনে স্ত্ৰীণাং পৰস্বগ্ৰহে
কাৰ্যাকাৰ্যবিচাৰাণাং হি যদমী নিষ্পৌৰুষাঃ কুৰ্বতে ।। তদেৱ, ২ .১৮

১০. দণ্ডনীতিৰেকা বিদ্যাত্যোশনসাঃ। তস্যাং হি সৰ্ববিদ্যাৰম্ভাঃ প্ৰতিবন্ধা ইতি। অৰ্থশাস্ত্ৰ, প্ৰথম প্ৰকৰণ, দ্বিতীয় অধ্যায়।

১১. কৃষিপাশুপাল্যে বণিজ্যা চ বাৰ্তা, ধান্যপশুহিৰণ্যকুপ্যবৃষ্টি প্ৰদানাদৌপকাৰিকী। তদেৱ, চতুৰ্থ অধ্যায়।

১২. স্বৰ্গ ঃ কৰ্তৃক্ৰিয়াদ্ৰব্যবিনাশে যদি যজ্বনাম্
ততো দাবাগ্নিদগ্ধানাং ফলং স্যাদ্ ভূৰি ভূৰুহাম্।। প্ৰবোধচন্দ্ৰোদয়, ২ .১৯

১৩. নিহতস্য পশোৰ্যজ্ঞে স্বৰ্গপ্ৰাপ্তিৰ্যদীষ্যতে।
স্বপিতা যজমানেন কিং নু কস্মান্নহন্যতে।। তদেৱ, ২ .২০

১৪. মৃতানামপি জন্তুনাং শ্ৰাদ্ধং ছেত্তৃপ্তিকাৰণম্।
নিৰ্বাণস্য প্ৰদীপস্য স্নেহঃ সংবৰ্ধয়েচ্ছিখাম্।। তদেৱ, ২ .২১

১৫. ত্যজ্যং সুখং বিষয়সংগমজন্ম পুংসা
দুঃখোপসৃষ্টমিতি মূৰ্খবিচাৰণৈষা।
ব্ৰীহীঞ্জিহাসতি সিতোত্তমতণ্ডুলাঢ্যান্
কো নাম ভোস্তষকণোপহিতান্ হিতাৰ্থী।। তদেৱ, ২ .২৩

১৬. অগ্নিহোত্ৰং ত্ৰয়ো বেদাস্ত্ৰিদণ্ডং ভস্মগুণ্ঠনম্।
প্ৰজ্ঞাপৌৰুষহীনানাং জীবিকেতি বৃহস্পতিঃ।। তদেৱ, ২. ২৬

১৭. প্ৰত্যক্ষাদি প্ৰমাসিদ্ধাবিৰুদ্ধাৰ্থাববোধিনঃ
বেদান্তা যদি শাস্ত্ৰাণি বৌদ্ধৈঃ কিমপৰাধ্যতে।। তদেৱ, ২ .৪

## সহায়ক গ্ৰন্থপঞ্জী ঃ

**অসমীয়া ঃ**

১. অৰ্থশাস্ত্ৰ, কৌটিল্য, সম্পদক ৰজনীকান্ত দেৱশৰ্মা, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ২০০২

২. প্ৰবোধচন্দ্ৰোদয়, সম্পাদক অনিল চন্দ্ৰ বসু, কলকাতা, ২০০৮

৩. ভাৰতীয় দৰ্শন, জ্যোৎস্না ভট্টাচাৰ্য্য, বুক এম্পোৰিয়াম, গুৱাহাটী, ২০১২

৪. সৰ্বদৰ্শনসংগ্ৰহ (মাধৱাচাৰ্য্য), সম্পাদক অশোক কুমাৰ বন্দোপাধ্যায়, কলকাতা, ২০০৫

৫. সংস্কৃত- হিন্দী শব্দকোশ, বামন শিৱৰাম আপ্টে, অশোক প্ৰকাশন, দিল্লী, ২০০৬

**ENGLISH :**

1. Chatterjee S. and Dutta D., *An Introduction to Indian Philosophy*, Rupa Publications, New Delhi 2007.
2. Hiriyanna M.,*Outlines of Indian Philosophy*, Motilal Banarasidass, Delhi, 1994.
3. Sinha J., *Outlines of Indian Philosophy*, New Central Book Agency, Calcutta, 2006.
4. *Prabodhacandrodaya of Krishna Mishra*, edited by S. K. Nambiar, Motilal Banarasidass, Delhi, 1971.